**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 2-08-2024
**Time :** 0900 Hrs

***<u>Assamese Morning Bulletin</u>***

**::::::::::::::::::::::::::::::::::::::**

## <u>Headlines</u>

১।	ৰাজ্যৰ পৰিবহণ আৰু মীন খণ্ডৰ উন্নয়নৰ দিশত কেন্দ্ৰৰ পৃষ্ঠপোষকতা বিচাৰি পৰিবহণ মন্ত্ৰী কেশৱ মহন্তৰ কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী, সৰ্বানন্দ সোণোৱাল আৰু ৰাজীৱ ৰঞ্জন সিঙক সাক্ষাৎ।

২।	হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰা শীঘ্ৰেই বিভাগ প্ৰদানৰ ব্যৱস্থা আঁতৰোৱা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ প্ৰকাশ।

৩।	ৰাজ্যত ভয়াৱহ ৰূপত জাপানীজ এনচেফেলাইটিছৰ সংক্ৰমণ। জনসাধাৰণক সজাগ কৰাৰ উদ্দেশ্যে স্বাস্থ্য বিভাগৰ অভিযান অব্যাহত।

৪।	পেৰিছ অলিম্পিকৰ পৰা পি ভি সিন্ধুৰ বিদায়, কোৱাৰ্টাৰ ফাইনলেত স্থান নিশ্চিত লক্ষ্য সেনৰ। তৃতীয়টো পদক জয়ৰ আশাৰে আজি পুনৰ মনু ভাকৰৰ খেল।

*আৰু*

৫।	আজিৰে পৰা ভাৰত আৰু শ্ৰীলংকাৰ মাজত তিনিখনীয়া এদিনীয়া শৃংখলা।

০০০০০০০

অসমৰ পৰিবহণ খণ্ডৰ উন্নয়নৰ দিশত কেন্দ্ৰীয় চৰকাৰৰ বিশেষ পৃষ্ঠপোষকতা বিচাৰি ৰাজ্যৰ পৰিবহণ মন্ত্ৰী কেশৱ মহন্তই কালি নতুন দিল্লীত কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰী আৰু কেন্দ্ৰীয় বন্দৰ, জাহাজ, পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰে। কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰীয়ে মন্ত্ৰী মহন্তৰ অনুৰোধত ইতিবাচক সঁহাৰি জনাই ৰাজ্যৰ পথ পৰিবহণ ব্যৱস্থাৰ আধুনিকীকৰণৰ ক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। ইয়াৰ লগতে ৰাজ্যৰ প্ৰতিখন জিলা তথা গুৰুত্বপূৰ্ণ অঞ্চল অত্যাধুনিক চালক প্ৰশিক্ষণ প্ৰতিষ্ঠান মুকলিৰ বাবেও মন্ত্ৰালয়ে সহযোগিতা আগবঢ়াব বুলি তেওঁ প্ৰতিশ্ৰুতি দিয়ে। তদুপৰি পৰিবহণ ব্যয় হ্ৰাস হোৱাকৈ ইথানল মিশ্ৰিত ইন্ধন ব্যৱহাৰৰ দিশত অসমকো আগ ভাগ ল'বলৈ তেওঁ পৰামৰ্শ দিয়ে। ইপিনে, কেন্দ্ৰীয় বন্দৰ, জাহাজ, পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে হোৱা আন এখন বৈঠকত মন্ত্ৰী মহন্তই প্ৰধান জলপথ হিচাপে ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীক যথোচিতভাৱে বিকশিত কৰাৰ লগতে অত্যাধুনিক পাৰঘাট নিৰ্মাণৰ কাম খৰতকীয়া কৰা আৰু জলপথৰ গভীৰতা বৃদ্ধিৰ বাবে শীঘ্ৰে খনন কাৰ্য চলাবলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অনুৰোধ জনায়। এই অনুৰোধৰ প্ৰতি সমৰ্থন জনাই কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে লগতে মাজুলীৰ কমলাবাৰী আৰু অফলামুখ পাৰঘাটৰ পৰা নিমাতীঘাটৰ মাজৰ জলপথ দুটা বছৰৰ সকলো সময়তে সুষম জলপৰিবহণৰ বাবে সুনিশ্চিত কৰিব পৰাকৈ নিয়মীয়াকৈ খনন

চলোৱাৰ বাবে শীঘ্ৰেই এখন ড্ৰেজাৰ আগবঢ়োৱা বুলিও প্ৰকাশ কৰে। তদুপৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কাজিৰঙাক কেন্দ্ৰ কৰি শিলঘাট-তেজপুৰ-বিশ্বনাথৰ মাজত পৰ্যটকৰ বাবে জল পৰিবহণ প্ৰকল্প গ্ৰহণ, গুৱাহাটী-শুৱালকুছি আৰু গুৱাহাটী-পবিতৰা আভ্যন্তৰীণ পৰ্যটন প্ৰকল্প আদিৰ ক্ষেত্ৰত কেন্দ্ৰৰ সহযোগিতা বিচাৰি মন্ত্ৰী মহন্তই জনোৱা অনুৰোধ বিবেচনাৰো আশ্বাস দিয়ে। আনহাতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ যুৱক-যুৱতীয়ে জলপৰিবহণ খণ্ডত নিয়োগৰ সুবিধা পাবলৈ দক্ষতা আহৰণ কৰিব পৰাকৈ আধুনিক জলপথ পৰিবহণৰ কাৰিকৰী দক্ষতা সম্পন্ন চালক-পৰিচালক তথা মানৱ সম্পদ বিকশিত কৰাৰ বাবে অসমত এখন ৰাষ্ট্ৰীয় মানৰ অত্যাধুনিক নৌকা পৰিবহণ তথা জাহাজ পৰিবহণ প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপনৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে বিশেষ আগ্ৰহ প্ৰকাশ কৰে।

ইফালে, কালিয়েই মন্ত্ৰী কেশৱ মহন্তই নতুন দিল্লীত কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ পালন মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙৰ সাক্ষাৎ কৰি ৰাজ্যৰ মীনখণ্ডৰ আধুনিকীকৰণ সম্পৰ্কীয় আলোচনা কৰাৰ উদ্দেশ্যে এখন বৈঠকত মিলিত হয়। এই বৈঠকতে তেওঁ ৰাজ্যত উন্নত মানৰ মীন উৎপাদনৰ লগতে মাছৰ খাদ্য উৎপাদনৰ বৃহৎ প্ৰকল্প স্থাপনৰ বাবে মীন মন্ত্ৰালয়ৰ সহায় বিচাৰে। মন্ত্ৰী মহন্তৰ এনে অনুৰোধ মন্ত্ৰালয়ে বিবেচনা কৰিব বুলি উল্লেখ কৰি কেন্দ্ৰীয় মীন মন্ত্ৰী সিঙে অহা ছেপ্তেম্বৰত অসম ভ্ৰমণলৈ আহিব বুলি অৱগত কৰে। উল্লেখযোগ্য যে, কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অসমৰ মীন ক্ষেত্ৰৰ উন্নয়নৰে জড়িত দিশসমূহক লৈ আজি কেন্দ্ৰীয় মীন সচিবক মীন মন্ত্ৰী মহন্ত তথা ৰাজ্যৰ মীন বিভাগৰ জ্যেষ্ঠ বিষয়াৰ এটা দলৰ সৈতে বিতংভাৱে আলোচনাত মিলিত হ'বলৈ নিৰ্দেশ দিয়ে।

০০০০০০০

ৰাজ্যৰ শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তনৰ লক্ষ্যৰে শিক্ষা বিভাগে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ অংশ হিচাপে শীঘ্ৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰা বিভাগ প্ৰদানৰ ব্যৱস্থা আতৰ কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঘোষণা কৰিছে। অসম মাধ্যমিক শিক্ষা পৰিষদ আৰু আজিম প্ৰেমজি বিশ্ববিদ্যালয়ৰ সহযোগত কালি গুৱাহাটীত অনুষ্ঠিত প্ৰশ্নকাকত প্ৰস্তুত সম্পৰ্কীয় এখন কৰ্মশালাত উপস্থিতি থাকি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে কয় যে, ইতিমধ্যে স্থান লাভৰ ব্যৱস্থা আঁতৰোৱাৰ পিছত অহা এক-দুই বছৰৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰা ডিভিজন বা বিভাগৰ ব্যৱস্থাও আঁতৰোৱা হ'ব। তেওঁ কয় যে, হাইস্কুল শিক্ষান্ত পৰীক্ষাত কেৱল উত্তীৰ্ণ আৰু অনুত্তীৰ্ণৰ হে ব্যৱস্থা থাকিব। ইয়াৰ উপৰি শিক্ষাৰ্থীসকলে লাভ কৰা নম্বৰো ৰাজহুৱা কৰা নহ'ব। ফলাফল ঘোষণাৰ পিছত ছাত্ৰ-ছাত্ৰীৰ প্ৰমাণপত্ৰ আদি ডিজি লকাৰত উপলব্ধ হ'ব বুলি তেওঁ লগতে উল্লেখ কৰে। উল্লেখযোগ্য যে ৰাজ্যৰ ১৭খন জিলাৰ ১৪৬ গৰাকী শিক্ষকে অংশগ্ৰহণ কৰা কৰ্মশালাখনে মাধ্যমিক শিক্ষা পৰিষদৰ অধীনৰ শিক্ষাৰ্থীসকলক ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে সম্পূৰ্ণ দক্ষ কৰি তোলাত সহায় কৰিব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। কৰ্মশালাত উপস্থিত থাকি ছেবাৰ অধ্যক্ষ ৰমেশ চান্দ জৈনে কয় যে, হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰশ্নকাকতৰ নতুন ধৰণ কেনেধৰণৰ হ'ব সেয়া সকলো বিষয় সামৰি ৱেবছাইটত উপলব্ধ কৰা হৈছে।

০০০০০০০

স্বাস্থ্য বিভাগৰ কঠোৰ পদক্ষেপৰ পাছতো ৰাজ্যত ডেংগী, মেলেৰীয়া আৰু জাপানীজ এনচেফেলাইটিছ ৰোগে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। বৰ্তমানলৈকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ৯০ গৰাকীকৈ জাপানীজ এনচেফেলাইটিছ ৰোগত আক্ৰান্ত ৰোগীক ভৰ্তি কৰোৱা হৈছে। তাৰ ভিতৰত ২২ জনৰ ইতিমধ্যে মৃত্যু হৈছে।

চিকিৎসা মহাবিদ্যালয়খনত এতিয়াও ৪০ গৰাকীকৈ এনে ৰোগী চিকিৎসাধীন হৈ থকাৰ বিপৰীতে শেহতীয়াকৈ ২৩ গৰাকী ৰোগী সুস্থ হৈ ঘৰলৈ উভতি যোৱা বুলি জানিব পৰা গৈছে।

দৰঙত সম্প্ৰতি ১১ জনকৈ লোক জাপানীজ এনচেফেলাইটিছ ৰোগত আক্ৰান্ত হৈছে। জিলাখনৰ খাৰুপেটিয়াত ৬ গৰাকী আৰু পাথৰিঘাট এলেকাত ৫ গৰাকী লোক এই ৰোগত আক্ৰান্ত হৈছে। এইসকল আক্ৰান্তৰ ভিতৰত এজন বৰ্তমানে চিকিৎসাহীন হৈ থকাৰ বিপৰীতে বাকী ১০ জন সুস্থ হৈ উঠিছে। ক্ষেত্ৰীতো এই ৰোগত আক্ৰান্ত হৈ এজন লোকৰ মৃত্যু ঘটিছে। উল্লেখযোগ্য যে, সোণাপুৰ মহকুমা স্বাস্থ্য বিষয়াৰ কাৰ্যালয়ৰ অধীনৰ ডিমৰীয়াত এই পৰ্যন্ত ৫ জন লোক এই ৰোগত আক্ৰান্ত হৈছে।

ইপিনে, মেলেৰীয়া আৰু ডেংগী ৰোগৰ দ্ৰুত সংক্ৰমনেও ৰাজ্যজুৰি জনসাধাৰণৰ মাজত আতংকৰ সৃষ্টি কৰিছে। চিৰাং জিলাত মেলেৰীয়াত আক্ৰান্ত ৰোগীৰ সংখ্যা ৮৭ লৈ বৃদ্ধি পাইছে। আনহাতে ৩ জন লোক জাপানীজ এনচেফেলাইটিছত আৰু আন ৩ জন ডেংগীত আক্ৰান্ত হৈছে। জিলাখনৰ ভূটান সীমান্তৰ শান্তিপুৰ, ৰুনীখাটা আৰু গৰুভাষা অঞ্চলত মেলেৰীয়া আক্ৰান্তৰ সংখ্যা অধিক হোৱা বুলি জানিব পৰা গৈছে। ইতিমধ্যে মেলেৰীয়া, ডেংগী আৰু জাপানীজ এনচেফেলাইটিছৰ দৰে বাহক জনিত ৰোগৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে স্বাস্থ্য বিভাগে জনসাধাৰণৰ মাজত সজাগতা অনাৰ উদ্দেশ্যে বিভিন্ন কাৰ্যপন্থা হাতত লৈছে। স্বাস্থ্য বিভাগে মহৰ প্ৰজনন ৰোধ কৰিবলৈ ঠায়ে ঠায়ে ফ'গিঙৰো ব্যৱস্থা কৰিছে। আনহাতে জনসাধাৰণকো মহৰ আক্ৰমণৰ পৰা সুৰক্ষিত হৈ থাকিবলৈ ঘৰৰ চৌদিশে পানী জমা হ'বলৈ নিদিয়া, শোৱাৰ সময়ত আঁঠুৱা ব্যৱহাৰ কৰা, শৰীৰ ঢাক যোৱাকৈ কাপোৰ পৰিধান কৰা, মহ প্ৰতিৰোধী বৈদ্যুতিক মেট আৰু ধূপ-ধূনা-কইল ইত্যাদি ব্যৱহাৰ কৰিবলৈ বিভিন্ন নিৰ্দেশনা জাৰি কৰিছে।

০০০০০০০

বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে স্বীকৃতি পোৱাৰ পাছতে চৰাইদেউ জিলাত নিবনুৱা সংস্থাপনৰ লগতে পৰ্যটকসকলৰ বাবে থকামেলাৰ পৰ্যাপ্ত সুবিধা উপলব্ধ কৰোৱাৰ লক্ষ্যৰে **আমাৰ আলহী ঘৰ** আঁচনি আৰম্ভ কৰা হৈছে। এই আঁচনিৰ অধীনত ৰাজ্য চৰকাৰৰ পৰ্যটন বিভাগে চৰাইদেউ মৈদাম ক্ষেত্ৰৰ আশেপাশে হোম ষ্টে নিৰ্মাণ কৰাৰ লক্ষ্য লৈছে। এই আঁচনি আধাৰশিলা স্থাপন কৰি কালি সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে প্ৰাৰম্ভিক পৰ্যায়ত মৈদামৰ সমীপৱৰ্তী অঞ্চলত ১০ টাকৈ হোম ষ্টে নিৰ্মাণ কৰাৰ লক্ষ্য লোৱা বুলি জানিবলৈ দিয়ে। তেওঁ কয় যে, আঁচনিখনৰ অধীনত চলিত বৰ্ষৰ বাবে ১০টা ঘৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হৈছে যদিও পৰৱৰ্তী সময়ত অঞ্চলটোলৈ পৰ্যটকৰ আগমণৰ হাৰ বৃদ্ধি পালে নতুনকৈ কমেও ৪০টা এনে হোম ষ্টে নিৰ্মাণ কৰা হ'ব।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে পি আই বি গুৱাহাটীৰ সহযোগত কাইলৈ নিশা ৮ বাজি ২ মিনিটত শ্ৰোতাৰ বাবে অলিম্পিক কুইজৰ আয়োজন কৰিছে। অনুষ্ঠানত ক্ৰীড়া সাংবাদিক সুসীম ঘোষ আৰু ত্ৰিদীপ বপৰনচ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। সেইদিনা পেৰিছ অলিম্পিক সন্দৰ্ভত হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত শ্ৰোতাৰ বাবে প্ৰশ্ন সোধা হ'ব। কুইজ প্ৰতিযোগিতাৰ বাবে দৃষ্টিপাত অনুষ্ঠানৰ যোগেদি শ্ৰোতাসকলে উত্তৰ দিব পাৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০০০

চলিত পেৰিছ অলিম্পিকত ইতিমধ্যে দুটা পদক জয় কৰি ইতিহাস গঢ়া ভাৰতৰ মহিলা শ্বুটাৰ মনু ভাকৰে আজি তৃতীয়টো পদক লাভৰ লক্ষ্যৰে পুনৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব। মহিলাৰ ২৫ মিটাৰ পিষ্টল শাখাত আজি দিনৰ চাৰে ১২ বজাত মনু আৰু ভাৰতৰ আন এগৰাকী শ্বুটাৰ ঈশা সিং অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে, পেৰিছ অলিম্পিকত দেশক প্ৰথমটো পদক দিয়া মনুই ইতিমধ্যে ১০ মিটাৰ পিষ্টল শাখাত একক আৰু মিক্সড ডাবলছত ব্ৰঞ্জৰ পদক লাভ কৰি এখন অলিম্পিকতে দুটাকৈ পদক জয় কৰা প্ৰথম ভাৰতীয় ক্ৰীড়াবিদ হোৱাৰ যোগ্যতা অৰ্জন কৰিছে। ভাৰতে ইতিমধ্যে লাভ কৰা তিনিওটা পদক শ্বুটিঙতে জয় কৰি অলিম্পিকত এবিধ খেলত সৰ্বাধিক পদক জয়ৰ নতুন অভিলেখো ভাৰতীয় শ্বুটাৰ দলে গঢ়িছে। ইয়াৰ পূৰ্বে ২০১২ৰ লণ্ডন আৰু ২০২০ৰ টকিঅ' অলিম্পিকত মল্লযুঁজ তথা ২০১২ত শ্বুটিঙতে ভাৰতে দুটাকৈ পদক লাভ কৰিছিল।

ইফালে, ক্ৰমাগত দুখন অলিম্পিকত পদক জয় কৰি ভাৰতৰ প্ৰথম মহিলা ক্ৰীড়াবিদ হোৱাৰ গৌৰৱ অৰ্জন কৰা বেডমিণ্টন খেলুৱৈ পি ভি সিন্ধু চলিত অলিম্পিকৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত বিদায় লয়। যোৱানিশা অনুষ্ঠিত খেলত চীনৰ হি বিং জিয়াঅ'ই ২১-১৯ আৰু ২১-১৪ৰ পোনপটীয়া ব্যৱধানত সিন্ধুক পৰাস্ত কৰে। উল্লেখযোগ্য যে, সিন্ধুই ২০১৬ৰ ৰিঅ' অলিম্পিকত ৰূপ তথা ২০২০ৰ টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল। আনহাতে কালিয়েই বেডমিণ্টনৰ পদক প্ৰত্যাশী ভাৰতীয় পুৰুষ ডাবল যুঁটী সাত্বিক আৰু ছিৰাগ কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হয়। এতিয়া বেডমিণ্টনত লক্ষ্য সেনৰ ওপৰতে ভাৰতৰ একমাত্ৰ আশা সজীৱ হৈ আছে। ভাৰতৰে এইচ এছ্ প্ৰণয়ক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰা লক্ষ্যই আজি সন্ধিয়া চাৰে ৬ বজাত চীনা টাইপেইৰ চু টিয়ান চেনৰ বিৰুদ্ধে খেলিব।

ইফালে, জুডোত আজি ভাৰতৰ হৈ মহিলাৰ ৭৮ কিলোগ্ৰাম উৰ্ধৰ ওজন শাখাৰ খেলত তুলিকা মানে অংশ ল'ব। প্ৰাৰম্ভিক ৰাউণ্ডৰ খেল দিনৰ ডেৰ বজাত আৰম্ভ হ'ব আৰু আজিয়েই পদকৰ খেলো অনুষ্ঠিত হ'ব। প্ৰথমবাৰৰ বাবে অলিম্পিক খেলিব লগা তুলিকাই পদকৰ খেললৈ যোগ্যতা অৰ্জনৰ বাবে ৪ খন নক-আউট খেলত জয় লাভ কৰিব লাগিব। একেদৰে আৰ্চাৰীতো ভাৰতৰ অংকিতা আৰু ধীৰাজ যুটীয়ে আজি দিনৰ ১ বাজি ১০ মিনিটত মিক্সড শাখাৰ যোগ্যতা নিৰ্ণায়ক খেলত অংশ ল'ব। এই প্ৰতিযোগিতাৰো পদকৰ খেল আজিয়েই অনুষ্ঠিত হ'ব। আনহাতে ইতিমধ্যেই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰা ভাৰতীয় পুৰুষ হকী দলে আজি পুল বি'ৰ খেলত অষ্ট্ৰেলিয়াৰ মুখামুখি হ'ব। আবেলি ৪ বাজি ৪৫ মিনিটত এই খেলখন অনুষ্ঠিত হ'ব। ইফালে, এথলেটিকছত নিশা ৯ বাজি ৪০ মিনিটত মহিলাৰ ৫ হাজাৰ মিটাৰ দৌৰৰ প্ৰাৰম্ভিক ৰাউণ্ডত ভাৰতৰ পাৰুল চৌধাৰী আৰু অংকিতাই অংশ ল'ব। আনহাতে, নিশা ১১ বাজি ৪০ মিনিটত তেজিন্দৰ পাল সিঙে পুৰুষৰ শ্বটপুটৰ যোগ্যতা নিৰ্ণায়ক খেলত অৱতীৰ্ণ হ'ব।

0000000

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। ৰোহিত শৰ্মা আৰু বিৰাট কোহলীয়ে এই শৃংখলাত ভাগ ল'ব। ভাৰতে ইয়াৰ পূৰ্বে শ্ৰীলংকাৰ বিৰুদ্ধে টি-২০ শৃংখলাত ৩-০ ফলাফলত জয়লাভ কৰিছিল।

0000000

Newspaper Review (2-8-2024 Morn.)

ৰাজ্যৰ চৰকাৰী চিকিৎসা মহাবিদ্যালয় আৰু জিলা চিকিৎসালয়ত পঞ্জীয়নকে ধৰি ১০৭ বিধ স্বাস্থ্য পৰীক্ষাৰ মূল্য বৃদ্ধিৰ সন্দৰ্ভত এটি গুৰুত্বপূৰ্ণ বাতৰি দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি কংগ্ৰেছত যোগদান কৰিব পূৰ্বৰ বিজেপি বিধায়ক অশোক শৰ্মাই- এই সন্দৰ্ভত আমাৰ অসম কাকতে এটা বাতৰি প্ৰকাশ কৰিছে। শিক্ষকৰ বদলিক লৈ শিক্ষা বিভাগৰ হেতালি শিৰোনামেৰে **দৈনিক জনমভূমি** কাকতে এটা বাতৰি প্ৰকাশ কৰিছে। তিনি কোটি বাণিজ্যিকভাৱে উপযোগী গছপুলি ৰোপৰণৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আৰম্ভ কৰা দ্বিতীয় পৰ্যায়ৰ অমৃত বৃক্ষ আন্দোলন সন্দৰ্ভত **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি প্ৰকাশ কৰিছে। অন্যান্য পিছপৰা শ্ৰেণীৰ পাছত অনুসূচীত জাতি-জনজাতিৰ সংৰক্ষণ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ ঐতিহাসিক ৰায় সম্পৰ্কীয় এটা বাতৰি **অসমীয়া খবৰ** কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ নতুন উপাচাৰ্য নিযুক্তিৰ বিতৰ্ক সন্দৰ্ভত এটি বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্যৰ ২০খন জিলাত বাংলাদেশীৰ আগ্ৰাসন ঘটিছে বুলি মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্য সন্দৰ্ভত **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। উত্তৰ ভাৰতত বৰষুণ আৰু ভূমিস্খলনে ভয়াবহ ৰূপ ধাৰণ কৰা সন্দৰ্ভত দি **আছাম ট্ৰিব্ৰিউন** কাকতে বাতৰি প্ৰকাশ কৰিছে। চলিত বৰ্ষত অসমত চাহ উৎপাদনৰ হাৰ বৃদ্ধিৰ সন্দৰ্ভত ভাৰতীয় চাহ বোৰ্ডৰ ঘোষণা সম্পৰ্কত এটি গুৰুত্বপূৰ্ণ বাতৰি **দ্যা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে - পেৰিছ অলিম্পিকত ভাৰতৰ জয়যাত্ৰা অব্যাহত, শিৱসাগৰ কলেজলৈ বিশ্ববিদ্যালয়ৰ স্বীকৃতি, ছাত্ৰাবাসত ছাত্ৰৰ মৃতদেহ উদ্ধাৰকলৈ উত্তপ্ত লেখাপানী, কেৰালাৰ ৱাইনাডত সংঘটিত ভয়ানক ভূমিস্খলনৰ ঘটনা ঃ নিহত তিনি শতাধিক, সন্ধানহীন দুশৰো অধিক ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিৰ চমু অৱলোকন।

০০০০০০০

**সমাপ্ত**